**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-March-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰস্তুতি। এই আই ইউ ডি এফৰ ৯ জনীয়া প্ৰাৰ্থী তালিকা ঘোষণা।

২। ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত আজি ৯ হাজাৰ টকাকৈ প্ৰদান।

৩। সোণাপুৰৰ টেপেচিয়াত বিজ্ঞান নগৰী গুৱাহাটী চৌহদ মুকলি। কামৰূপ, বঙাইগাঁও, মাজুলী, কাছাৰ আৰু নগাঁৱত জিলা বিজ্ঞান কেন্দ্ৰ উদ্বোধন।

৪। ৰাজ্যৰ শাসকীয় এন ডি এ মিত্ৰজোঁটৰ তিনিগৰাকী প্ৰাৰ্থী ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত।

*আৰু*

৫। নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী উত্তৰ-পূৰ্বাঞ্চলৰ দীৰ্ঘতম উৰণ সেতু আজি জনসাধাৰণৰ বাবে মুকলি।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰস্তুতি চলাইছে। নিৰ্বাচনৰ দিন ঘোষণা কৰা হোৱা নাই যদিও দলসমূহে জনসধাৰণৰ মাজলৈ গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। ইপিনে, কেইবাটাও দলে নিৰ্বাচনৰ বাবে প্ৰাৰ্থী তালিকাও ঘোষণা কৰিছে। এ আই ইউ ডি এফ দলে কালি ৯ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। এই অনুসৰি ৰূপহীহাটত আমিনুল ইছলামক, মন্দিয়াত ৰফিকুল ইছলাম, ধিঙত মতিউৰ ৰহমান, পাকা বেতবাৰীত মীনাক্ষী ৰহমান, পৰ্বতঝোৰাত আবু তাহেৰ বেপাৰী, সৃজনগ্ৰামত ৰেজাউল কৰিম সৰকাৰ, লাহৰীঘাটত ছিদ্দিক আহমেদ, গৌৰীপুৰত নিজানুৰ ৰহমান আৰু বিলাসীপাৰাত ছাবানা আখতাৰক প্ৰাৰ্থিত্ব দিয়া হৈছে। শাসনাধিষ্ঠিত বিজেপিয়ে ১৭ মাৰ্চৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

কংগ্ৰেছ দলে চলিত সপ্তাহতে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা কৰিব বুলি সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰিছে। ইয়াৰ আগেয়ে দলে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। শ্ৰীগগৈয়ে এই বিষয়ত সাংবাদিকৰ আগত এইদৰে কয় ঃ

***-বাইট- গৌৰৱ গগৈ***

অসম গণ পৰিষদ দলে দুই এদিনতে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি দলৰ সভাপতি অতুল বৰাই কালি আমবাৰীত অনুষ্ঠিত প্ৰাৰ্থিত্ব কেন্দ্ৰীক বৈঠকৰ পাছত প্ৰকাশ কৰে। মিত্ৰতা সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি তেওঁ উল্লেখ কৰে।

***-বাইট- অতুল বৰা***

বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বজালী জিলাৰ পৰা নলবাৰীলৈ সামৰি লয়। বজালীৰ বামাখাটা সত্ৰৰ পৰা নলবাৰীলৈ যাত্ৰা কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ সঁহাৰিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। এই যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্ল বৰুৱাৰ উপৰি ভালেসংখ্যক দলীয় সদস্যই অংশগ্ৰহণ কৰে। ইপিনে, কংগ্ৰেছ দলেও ৰাইজৰ মন জয় কৰাৰ বাবে

সময় পৰিৱৰ্তন যাত্ৰা শীৰ্ষক কাৰ্যসূচী গ্ৰহণ কৰিছে। দলটোৱে কালি শ্ৰীভূমি জিলাৰ উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিত পদযাত্ৰা অনুষ্ঠিত কৰে। পদযাত্ৰাত কংগ্ৰেছ দলৰ কেইবাগৰাকীও সদস্যই অংশগ্ৰহণ কৰে।

অসম গণ পৰিষদ দলৰ হৈ কালি অসম যুৱ পৰিষদে চাবুৱাত সমন্বয় সংকল্প যাত্ৰা উলিয়াই জনসাধাৰণক আকৰ্ষণৰ চেষ্টা কৰে।

সমাগত বিধানসভা নিৰ্বাচনত কেইবাটাও বিৰোধী দলে মিত্ৰতা কৰাৰ চৰ্চা চলি আছিল যদিও ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ সৈতে ৰাইজৰ দলে মিত্ৰতা নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দলটোৱে এটা বিবৃতিযোগে বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে মিত্ৰতা নকৰাৰ কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ লগতে কেইবাটাও সমষ্টিত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ কথা ঘোষণা কৰিছে। নিৰ্বাচনৰ সময় চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলত নেতা-কৰ্মীৰ পদত্যাগ, যোগদান আদি অব্যাহত আছে। অগপৰ সদ্য পদত্যাগী নেতা জয়ন্ত খাউণ্ডে কালি নতুন দিল্লীত কংগ্ৰেছ দলত যোগদান কৰে। যোগদানৰ সময়ত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু অসম বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়া উপস্থিত থাকে। ইফালে, এ আই ইউ ডি এফৰ বিধায়ক কৰিমউদ্দিন বৰভূঞাই কালি সন্ধিয়া অসম গণ পৰিষদত যোগদান কৰে। অগপৰ সভাপতি অতুল বৰাৰ উপস্থিতিত বিধায়কগৰাকীয়ে যোগদান কৰে।

০০০০০০

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত আজি ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। এই উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কাৰ্যসূচীত বিত্তমন্ত্ৰী অজন্তা নেওগো উপস্থিত থাকিব। আনহাতে ৰাজ্যৰ তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব।

০০০০০০

বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ টেপেচিয়াত নিৰ্মাণ কৰা বিজ্ঞান নগৰী গুৱাহাটী চৌহদ আজি মুকলি কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উদ্বোধনী অনুষ্ঠানত বিজ্ঞান আৰু প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তয়ো অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, বিজ্ঞান নগৰীত ডিজিটেল এডভেঞ্চাৰ, ভাৰ্চুৱেল ৰিয়েলিটি, ধেমালিৰ মাজেৰে বিজ্ঞান, জ্যোৰ্তিবিজ্ঞান বীথিকা, গোলকৰ জ্ঞান আৰু অ'ম্নি থিয়েটাৰ আদি বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে। ইপিনে ৰাজ্য চৰকাৰে কামৰূপ, বঙাইগাঁও, মাজুলী, কাছাৰ আৰু নগাঁৱত নিৰ্মাণ কৰা জিলা বিজ্ঞান কেন্দ্ৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। বিজ্ঞান নগৰী গুৱাহাটী চৌহদত আজি আয়োজিত অনুষ্ঠানতে জিলা বিজ্ঞান কেন্দ্ৰ উদ্বোধন কৰা হ'ব।

০০০০০০

ৰাজ্যৰ শাসনাধিস্থিত এন ডি এ মিত্ৰজোঁটৰ তিনিওগৰাকী প্ৰাৰ্থীকে ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হৈছে। নিৰ্বাচনী বিষয়াই কালি তেওঁলোকক আনুষ্ঠানিকভাৱে মান পত্ৰসমূহ প্ৰদান কৰে। এই প্ৰাৰ্থীকেইগৰাকী হৈছে বিজেপিৰ যোগেন মহন, তেৰছ গোৱালা আৰু ইউ পি পি এলৰ প্ৰমোদ বড়ো। কংগ্ৰেছ নেতৃত্বৰ বিৰোধী দলে ৰাজ্যসভাৰ আসনকেইখনৰ বাবে কোনো প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাছিল।

০০০০০০

নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰন সেতুখন আজি মুকলি কৰা হ'ব। পাঁচ দশমিক পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেতুখন ৮৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ২০২৪ চনৰ পহিলা জানুৱাৰীত সেতুখনৰ আধাৰশিলা স্থাপন কৰা হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ দীৰ্ঘতম উৰণ সেতুখন মুকলি উপলক্ষে আজি বিয়লি

আয়োজন কৰা কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই কাৰ্যসূচীত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াও অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে নিৰ্ধাৰিত ৩৬ মাহৰ বিপৰীতে ২৮ মাহতে এই উৰণ সেতুখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। এই উৰণ সেতুখন নিৰ্মাণৰ ফলত যানজঁট হ্ৰাস পোৱাৰ লগতে জনসাধাৰণৰ যাতায়াতৰ ক্ষেত্ৰত সকাহ হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

অহা ১৩ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব আৰু আধালশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা প্ৰধানমন্ত্ৰীলৈ গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত তেওঁ ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলিগড়-শিলিগুড়িত প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্পৰ উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথ বৈদ্যুতিকীকৰণ ৰে'লপথ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যক্ষ সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। ১৪ মাৰ্চত শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰ শিলা স্থাপন আৰু উদ্বোধন কৰিব।

প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ৰ উপস্থিতিত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতি, সুৰক্ষা ব্যৱস্থাকে ধৰি সকলো দিশ চালি-জাৰি চোৱা হয়। প্ৰধানমন্ত্ৰীয়ে সেইদিনা শিলচৰত তিনিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব আৰু এটা প্ৰকল্প উদ্বোধন কৰিব। তেওঁ লগতে এখন সমাৰেশতো অংশ ল'ব। শ্ৰীমোদীয়ে পাঁচগ্ৰামৰ পৰা বৰাপানীলৈ নিৰ্মাণ হ'বলগীয়া ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষ এক্সপ্ৰেছ হাইৱে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্প সম্পূৰ্ণ হ'লে চাৰে ৪ ঘণ্টাৰ ভিতৰত শিলচৰৰ পৰা গুৱাহাটীলৈ যাতায়াত সম্ভৱ হ'ব। প্ৰধানমন্ত্ৰীয়ে কেপিটেল পইণ্টৰ পৰা ৰাংগিৰখাৰীলৈ চাৰে ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ উৰণ সেতু আৰু শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত কৃষি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকলকলৈ গঠিত সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ অসমৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অহা ১৫ মাৰ্চত ধেমাজিত পালন কৰা হ'ব। ধেমাজিৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয় চৌহদত এই উপলক্ষে আয়োজিত দিনজোৰা কাৰ্যসূচীত আকাশবাণীৰ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত দুপৰীয়া জীৱনৰ বিভিন্ন স্তৰত আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ গুৰুত্ব শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি পৰিৱেশিকা জিণ্টী ৰাণী ডেকা আৰু পৰিস্মিতা দিহিঙীয়াক শ্ৰেষ্ঠ বাতৰি পৰিৱেশিকা বঁটা, আকাশবাণী গুৱাহাটীৰ ঋতুপৰ্ন দাসক নাট্য প্ৰভাকৰ বঁটা, টিয়কৰ কণ্ঠশিল্পী ৰুণু বৰগোহাঁইক সংগীত শিল্পী বঁটা, জাঁজীৰ সাংবাদিক দিগন্ত শৰ্মাক যুৱ সাংবাদিকতা বঁটা আৰু জাঁজীৰ প্ৰণৱ কুমাৰ দত্তক শ্ৰেষ্ঠ শ্ৰোতা অনুৰাগী বঁটা প্ৰদান কৰা হ'ব। তদুপৰি আকাশবাণী ডিব্ৰুগড়ৰ তৌফিকা উল্লাহক অতিথি শিল্পী বঁটা, টিয়কৰ মানৱ জ্যোতি কটকী, ধেমাজিৰ অনুপ্ৰমা শইকীয়াক শ্ৰোতা বন্ধু বঁটা প্ৰদান কৰা হ'ব।

০০০০০০

**News Paper Review 10-03-2026**

হিমন্তৰ অনুগতকহে দিব বিজেপিৰ টিকট শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে যিকোনো মূহূৰ্ততে দলটোৰ প্ৰাৰ্থী তালিকা প্ৰকাশ পোৱাৰ সম্ভাবনাৰ বিষয়ে বিস্তৃত বাতৰি পৰিৱেশন কৰিছে। **নিয়মীয়া বাৰ্তা**কাকতে জন আশীৰ্বাদ যাত্ৰাৰ ৮ দিনত ১০০০ কিলোমিটাৰ অতিক্ৰম শিৰোনামেৰে ৰাজ্যবাসীৰ মাজত মুখ্যমন্ত্ৰীৰ জনপ্ৰিয়তাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে চূড়ান্ত পৰ্যায়ত অগপৰে আসন বুজাবুজি শিৰোনামেৰে সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত শাসক-বিৰোধীৰ উভয়পক্ষ সাজু হৈ উঠাৰ বাতৰি আলোক চিত্ৰসহ বাতৰি পৰিৱেশন কৰিছে।

**অসমীয়া খবৰ** কাকতে দেশজুৰি ৰন্ধন গেছৰ নাটনি শিৰোনামৰে যুদ্ধৰ প্ৰভাৱত বাণিজ্যিক আৰু ঘৰুৱা চিলিন্দাৰৰ তীব্ৰ নাটনি হোৱাৰ বিষয়ে মুখ্য বাতৰি প্ৰকাশ কৰিছে। খামেইনিৰ পুত্ৰই হ'ল সৰ্বোচ্চ নেতা এই শিৰোনাম **দৈনিক অগ্ৰদূত** কাকতৰ। যুদ্ধৰ পৰিণতিত ভাৰতীয় শ্বেয়াৰ বজাৰত পুনৰ বৃহৎ পতনৰ বাতৰি **দৈনিক জনমভূমি** কাকতে, ডলাৰৰ বিপৰীতে সৰ্বনিম্ন টকাৰ মূল্য শিৰোনামেৰে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত আমাৰ অসম কাকতৰ বাতৰিৰ শিৰোনাম শ্বেয়াৰ বজাৰ বিধ্বস্ত, তেল আৰু গেছতো জুই লগাৰ আশংকা। **দি আছাম ট্ৰিবিউন** কাকতে NDAৰ তিনিগৰাকী প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হোৱাৰ বাতৰি বিশেষ গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দা চেণ্টিনেল** কাকতে চাইবাৰ অপৰাধীয়ে ব্যাপক ভাৱে মহিলাৰ kyc সংগ্ৰহেৰে জালিয়াতিৰ চেষ্টা চলোৱাৰ তথ্য cidয়ে উদ্ঘাটন কৰাৰ বাতৰি বক্স বাতৰি পৰিৱেশন কৰিছে।

০০০০০০

বিশ্বনাথ জিলাৰ চতিয়াৰ তিনিটা অঞ্চলত অবৈধ দখলমুক্ত কৰাৰ বাবে কালি প্ৰশাসনে পুনৰ উচ্ছেদ অভিযান চলায়। প্ৰশাসনে  চলাহোলাত জলসিঞ্চন বিভাগৰ ভূমি দখল কৰি থকা কমেও ১৫টা পৰিয়ালক সেই স্থানৰ পৰা উচ্ছেদ কৰে। কালি পুৱা ৮ বজাত আৰম্ভ হোৱা এই উচ্ছেদ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। প্ৰশাসনে ভি জি আৰ ভূমিতো উচ্ছেদ চলায়। এই অভিযানত ৭৫ বিঘা ভূমি অবৈধভাৱে দখল কৰি থকা ৬৫টা পৰিয়ালক উচ্ছেদ কৰা হয়। কালি উচ্ছেদ অভিযান শান্তিভাৱে সম্পন্ন কৰিবলৈ চি আৰ পি এফৰ জোৱান মোতায়ন কৰা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু মিজোৰামৰ কিছু কিছু অঞ্চলত পাতলীয়া বৰষুণ আৰু অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**